**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 25-02-2026 **Time :** 1100 Hrs.

0000000000

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি যোৰহাটৰ নৱ নিৰ্মিত অসম মহিলা বিশ্ববিদ্যালয়ৰ নতুন চৌহদ মুকলি কৰিব। ২৮ কোটি ৫০ লাখ টকা ব্যয়েৰে এই চৌহদ নিৰ্মাণ কৰা হৈছে। এই উপলক্ষে যোৰহাটৰ কলিয়াপানীত থকা অসম মহিলা বিশ্ববিদ্যালয় চৌহদত দিনৰ ১২ বাজি ৪৫ মিনিটত আয়োজিত সভাত মুখ্যমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব। অনুষ্ঠানত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, মন্ত্ৰী ডাঃ ৰণোজ পেগু, অজন্তা নেওগ, বিমল বৰাৰ উপৰি কেইবাগৰাকী সাংসদ, বিধায়ক আৰু অন্যান্য বিশিষ্ট ব্যক্তিয়ে অংশ ল'ব। মুখ্যমন্ত্ৰী ড° শৰ্মাই ১৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মিত যোৰহাট চৰকাৰী আইন মহাবিদ্যালয়ো উদ্বোধন কৰিব। তদুপৰি ৯ কোটি টকা ব্যয়সাপেক্ষে গ্ৰাম্য আন্তঃগাঁথনি পুঁজিৰ অধীনত মৰিয়নিৰ চাহ বাগিচা অঞ্চলত নিৰ্মাণ কৰা দুখন আদৰ্শ বিদ্যালয় আৰু মহাদেৰ আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন ভৱন মুকলি কৰিব। ইয়াৰ পাছতে মুখ্যমন্ত্ৰী লখিমপুৰলৈ যাব। ড° শৰ্মাই লখিমপুৰত নিৰ্মিত লাভলীনা বৰগোহাঁই ক্ৰীড়া ক্ষেত্ৰ মুকলি কৰিব। জিলাখনৰ ছাব'তিৰ লাভলীনা বৰগোহাঁই ক্ৰীড়া ক্ষেত্ৰত বিয়লি ৩ বজাত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে লগতে স্মাৰ্ট এল ই ডি ষ্ট্ৰীট লাইট চিষ্টেম, পথ সুৰক্ষা উন্নীতকৰণ প্ৰকল্প, নৰ্থ লখিমপুৰ মহাবিদ্যালয়ক বিশ্ববিদ্যালয় হিচাপে উন্নীতকৰণৰ আন্তঃগাঁথনি নিৰ্মাণৰ কাম, লখিমপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ প্ৰসূতি আৰু শিশু চিকিৎসালয়ৰ উন্নীতকৰণকে ধৰি কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব।

০০০০০০০

গোৱালপাৰা জিলাৰ বিভিন্ন অঞ্চলত বন বিভাগে আৰণ্যক নামৰ স্বেচ্ছাসেৱী সংগঠনৰ সহযোগত হাতী-মানুহৰ সংঘাত ৰোধ কৰাৰ বাবে সৌৰশক্তি চালিত বেৰ স্থাপন কৰি চেষ্টা চলাই আছে। ইয়াৰ অংশ হিচাপে গোৱালপাৰাৰ গৰাইমাৰী ৰাজহ গাঁৱত সৌৰ বেৰ স্থাপনৰ কাম চলি আছে। এই সৌৰ বেৰৰ ভিতৰত প্ৰৱেশ কৰিলে বা বেৰৰ স্পৰ্শলৈ বনৰীয়া হাতী আহিলে কম্পনৰ সৃষ্টি হয় আৰু হাতী আঁতৰি যায়। এই বেৰে হাতী বা মানুহৰ কোনো ক্ষতি নকৰে। ইতিমধ্যে জিলাখনৰ গোৱালপাৰা, কৃষ্ণাই, ৰংজুলি আৰু লক্ষীপুৰ বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত ৩২ খন গাঁৱত এনে সৌৰ বেৰ স্থাপনৰ কাম সম্পূৰ্ণ হৈছে। এই সন্দৰ্ভত আৰণ্যকৰ ৰিপুঞ্জয় কুমাৰ নাথে এইদৰে কয় –

বাইট

০০০০০০০

ডিব্ৰুগড় জিলাৰ টিংখাং বিধানসভা সমষ্টিৰ অন্তৰ্গত ৰাজগড়ত আজি ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। মন্ত্ৰী তথা স্থানীয় বিধায়ক বিমল বৰাই প্ৰতিষ্ঠানটো উদ্বোধন কৰি কয়, যে যুৱক-যুৱতীসকলক প্ৰয়োজনীয় সুযোগ প্ৰদানৰ ক্ষেত্ৰত এই প্ৰতিষ্ঠানে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ইয়াৰ জৰিয়তে তেওঁলোকক উদ্যমী আৰু প্ৰয়োজনীয় দক্ষতাৰে উপযুক্ত মানৱ সম্পদ হিচাপে গঢ়ি তোলাৰ প্ৰয়াস কৰা

হ'ব বুলি তেওঁ কয়। এই আই টি আই খনে যুৱ প্ৰজন্মক ব্যৱহাৰিক শিক্ষাদানেৰে কৰ্ম ক্ষমতা বৃদ্ধি কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

0000000

কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী টোকান চাহুৱে কালি চিৰাং জিলাৰ বিজনী আৱৰ্ত ভৱনত বিজেপি নেতৃত্বৰ সৈতে বৈঠকত মিলিত হয়। সমাগত বিধানসভা নিৰ্বাচনত প্ৰাৰ্থিত্ব প্ৰদান সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে বিজনী সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থিত্ব প্ৰত্যাশীসকলৰ সৈতে আলোচনা কৰে। বৈঠকত প্ৰাৰ্থিত্ব প্ৰত্যাশীসকলৰ মাজত সমিলমিলেৰে যিকোনো এজনক দলৰ হৈ প্ৰাৰ্থিত্বৰ বাবে আবেদন কৰিবলৈ আহ্বান জনোৱা হয়।

0000000

বৰপেটা জিলাৰ সৰভোগ আৰক্ষীয়ে যোৱানিশা অভিযান চলাই ৪৪ হাজাৰ টকা মূল্যৰ নোট জব্দ কৰে। আৰক্ষীয়ে জালনোট সৰবৰাহৰ সৈতে জড়িত থকাৰ অভিযোগত দুজন লোকক গ্ৰেপ্তাৰ কৰে। এই চক্ৰটোত আৰু অধিক লোক জড়িত থকাৰ সন্দেহ কৰি আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে।

0000000

সেনাবাহিনীত যোগদান কৰিবলৈ আগ্ৰহী শ্ৰীভূমি জিলাৰ যুৱক-যুৱতীসকলক অগ্নিবীৰ নিযুক্তিৰ বাবে অনলাইনযোগে পঞ্জীয়ন কৰিবলৈ আহ্বান জনোৱা হৈছে। ইচ্ছুক প্ৰাৰ্থীসকলে অহা ১ এপ্ৰিলৰ ভিতৰত আবেদন কৰিব লাগিব। অগ্নিবীৰ জেনেৰেল ডিউটি, অগ্নিবীৰ ক্লাৰ্ক, অগ্নিবীৰ ট্ৰেডছমেন, অগ্নিবীৰ মিলিটাৰী পুলিচ, চিপাহী ফাৰ্মা আৰু ছ'লজাৰ টেকনিকেল পদত এই আবেদন বিচৰা হৈছে। বয়স আৰু শিক্ষাগত অৰ্হতা অনুসৰি প্ৰাৰ্থীৰ বয়স ১৭ বছৰ ৬ মাহৰ পৰা ২২ বছৰ হ'ব লাগিব। ইচ্ছুক প্ৰাৰ্থীসকলে সেনাৰ অফিচিয়েল ৱেবছাইটযোগে আবেদন জনাব পাৰিব।

00000000

দুদিনীয়া ভ্ৰমণসূচীৰে কালি মাজুলীলৈ অহা কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী কমলেশ পাছোৱানে আজি জিলাখনৰ সংহত আয়ুক্ত কাৰ্যালয়ত বিকশিত ভাৰত গ্ৰামীণ নিয়োগ নিশ্চিতকৰণ শীৰ্ষক আলোচনা চক্ৰত অংশগ্ৰহণ কৰিব।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কালি মাজুলী সংহত আয়ুক্ত কাৰ্যালয়ত জিলাখনৰ প্ৰতিটো বিভাগৰ মুৰব্বীসকলৰ সৈতে জিলাখনত ৰূপায়ণ হৈ থকা আঁচনিসমূহৰ সন্দৰ্ভত পৰ্যালোচনা কৰে। ইয়াৰ পাছত তেওঁ প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ কেইবাটাও গৃহ পৰিদৰ্শন কৰি হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় কৰে। পৰৱৰ্তী সময়ত তেওঁ জিলা চিকিৎসালয় পৰিদৰ্শন কৰি চিকিৎসা কৰ্মীসকলৰ সৈতে বৈঠকত মিলিত হয়। ইয়াৰ লগতে তেওঁ পি এম জি এছ ৱাইৰ অধীনত নিৰ্মিত কেইবাটাও পথ পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত তেওঁ মাজুলীৰ সামগ্ৰিক অৱস্থাৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে চৰকাৰী আঁচনি সময়মতে আৰু সুচাৰুৰূপে কাৰ্যকৰী কৰাত গুৰুত্ব আৰোপ কৰি অসম্পূৰ্ণ হৈ থকা কামসমূহ ক্ষীপ্ৰতাৰে সম্পন্ন কৰিবলৈ সংশ্লিষ্ট কৰ্তৃক্ষক নিৰ্দেশ দিয়ে।

00000000

**সমাপ্ত**